সঙ্কতে চকুত পৰা ওখ জিউজ উটিৰ শাৰীয়ে পেলোৱা দীঘলীয়া ছাঁৰ উপমা প্ৰয়োগ কৰিছে। উপচি পৰা যৌৱনে নাৰায়ণীক সপোন দেখিবলৈ শিকাইছিল। কল্পনাৰ কাহেৰে সজা কালতেই নাৰায়ণীৰ জীৱনলৈ আহিছিল এজন পুৰুষ। সেই পুৰুষে নাৰায়ণীক 'সোণালী দুৱাৰৰ মৰীচিকা' দেখুৱাইছিল। 'মোলায়েম চুলিৰ ঘন্ন লোৱাৰ ইচ্ছা' থকা নাৰায়ণীয়ে জিউটিৰ শোৰত আবেলি নদীলৈ গৈ গা ধুই অহাটো অভ্যাস কৰি লৈছিল। এদিন আবেলি চাবেংখেৱা নদীত গা ধুবলৈ পানীত নামোতে কোম্পানীৰ প্ৰাঙ্গণলৈ নতুনকৈ অহা ডেকা ইঞ্জিনিয়াৰ এজনাক তাইৰ সৌন্দৰ্যই আকৰ্ষণ কৰিলে। প্ৰথমে ডেকা, ইঞ্জিনিয়াৰৰ কাজত থকা কেমেৰাৰ লেন্সত তাইৰ স্নানৰত অৰ্দ্ধনগ্ন সুঘৰ দেহ আবদ্ধ হ'ল। দিন বাগৰাৰ লগে লগে নৈৰ পাৰৰ কাঁইটীয়া বাবুল গছৰ জোপোহাৰ আঁৰত দুয়ো মগ্ন হ'ল। নাৰায়ণীয়ে যেন সৰগলৈ যোৱা সোণৰ জখলাৰ সন্ধান পালে। এদিন অকস্মাত তাই সেই জখলাৰ পৰা চিটিকি পৰিল সাই নদীৰ পাৰৰ শুকান ৰুক্ষ বালিৰ ওপৰত। মেনেজাৰ চাহাবে ডায়েকক আঁতৰাই পঠিয়ালে এই প্ৰাঙ্গণৰ পৰা। নাৰায়ণীৰ অৱস্থা হৈছিল....'সাম্ৰাজ্য হেৰুওৱা সম্ৰাজ্ঞীৰ দৰে।...'' বেচেৰীক কুঁহিয়াৰৰ সিঠাৰ দৰে চোবাই এৰিলে।[১৩]

নাৰায়ণী সৰি পৰিল কাঁইটীয়া বননিৰে ভৰা কঠিন বাস্তৱত। শিবু থাছলাৰ সৈতে বিয়া হোৱাৰ পাছতেই সিহঁতে সন্মুখীন হৈছিল 'চাটাই'ৰ সেই ভয়ঙ্কৰ দিনবোৰৰ। চাবেংখেৱা প্ৰাঙ্গণৰ পৰা 'ডেইলী পেইড' শ্ৰমিকসকলৰ 'চাটাই' হৈছিল। তেতিয়া নাৰায়ণীৰ কোলাত আছিল পাঁচ মহীয়া এটি কেঁচুৱা। আশ্ৰয়হীন হৈ পৰা শ্ৰমিকসকলৰ সৈতে জীৱিকাৰ সন্ধানত ঘূৰি ফুৰিব লগা হৈছিল। মূৰৰ ওপৰৰ প্ৰচণ্ড ৰ'দ, লু বতাহৰ কোব আৰু পেটৰ ক্ষুধাই সিহঁতক মোহাৰি পেলাইছিল। সেই বিপদৰ সময়ত নাৰায়ণীৰ পাঁচ মহীয়া কেঁচুৱাটিৰ মৃত্যু হৈছিল। সেই দিনবোৰৰ কথা ভাবি ভয় আৰু হতাশাত তাই এইমান হৈ উঠে। সাই নদীৰ 'বাৰ্ক চাইট'ৰ পৰা 'চাটাই' হোৱাৰ সম্ভাৱনা যিমানেই ওচৰ চাপি আহিছে, সিমানেই নাৰায়ণী হতাশ হৈ আহিছে—

> *... তেতিয়া হ'লে আকৌ সেই অৱস্থা হ'ব। ক'ত যাব সিহঁত? বেমাৰী মানুহটো আৰু এই পানী কেঁচুৱাটো লৈ কেনেকৈ তাই এই প্ৰচণ্ড গৰমত ভলৌ ভলৌকৈ ঘূৰি ফুৰিব?*
>
> *... পানী, এয়া বুকুৰ ওচৰলৈ পানী। আৰু আগুৱাই যাব নেকি তাই? আৰু নলৈ? য'ত তাইৰ আৰু কোনো চিনচাব নেথাকিব।*



> *হঠাৎ কেটী সাপৰ দৰে ফোঁচ ফোঁচ কৰি উঠিল তাইৰ এই চুলিটাৰিয়ে। বৰ আলফুলকৈ তাই চুলিটাৰি ডিঙিত মেৰিয়াই ল'লে।[১৪]*

আহিব ধৰা ভয়ঙ্কৰ ভৱিষ্যতৰ পৰা নিস্তাৰ পোৱাৰ উপায় নেদেখি পানীত ধুবি নিজৰ অস্তিত্ব নাইকিয়া কৰিবলৈ সংকল্প লোৱাৰ মুহূৰ্ততে তাইৰ দুদীয়া চুলিটাৰিয়ে সকিয়াই দিলে— সাপে যিদৰে নিজৰ অস্তিত্বৰ, শক্তি সামৰ্থ্যৰ জাননী দিবলৈ ফোঁচ ফোঁচাই প্ৰতিৰক্ষাৰ বাবে আক্ৰমণাত্মক ৰূপ ধৰে, তেনেদৰে নাৰায়ণীয়ো সামান্য হ'লেও নিজৰ থকা শক্তি সামৰ্থ্য, সম্পদ সকলোখিনি সম্বল কৰি জীৱন যুদ্ধত নামি পৰিবলৈ সংকল্প ল'লে। '... *আজি সাই নদীৰ পানীৰ পৰা উঠি আহোতে তাই মনে মনে এটা সংকল্প লৈয়ে যেন উঠি আহিল।*'

শ্ৰমিকৰ ধৰ্মঘট এসপ্তাহ পাৰ হোৱাৰ পিছত কোম্পানীৰ মেনেজমেণ্টৰ প্ৰতিনিধিৰূপে এ জি এম চাহাব আহি তেওঁলোকৰ শেষ সিদ্ধান্ত জনালে। যাঠিটা ডেইলী পেইড বাৰ্কাৰ 'এবৰ্জন' কৰা হ'ব। স্বাৰ্থান্বেষী লোকেল লীডাৰহঁতে মানি নল'লে। এ জি এম উত্ততি গ'ল। হৰিজনৰ বেবেকত দুৰ্ভিক্ষ সদৃশ পৰিবেশৰ সৃষ্টি হ'ল। নাৰায়ণীয়ে এই বিপদ অতিক্ৰম কৰিবলৈ মাজৰাতি চাহাবৰ কোৱাৰ্টাৰত সোমাবলৈ ল'লে। ধৰ্মঘটৰ নেতাসকলে তাইক ধৰা পেলাবলৈ নিয়োগ কৰা বামু আৰু বামুৱে নাৰায়ণীক টানি আজুৰি বিবস্ত্ৰা কৰি কাপোৰৰ টোপোলাত লুকুৱাই ৰখা কটি আৰু খুচুৰা পইচা সকলো কাঢ়ি লোৱাত তাই ভয়ঙ্কৰ মূৰ্ত্তি ধাৰণ কৰিলে। বামু আৰু বামুই তাইৰ নিকৃষ্ট কামৰ প্ৰতি ঘৃণাসূচক বাক্যৰে আক্ৰমণ কৰাত তাই সাহসেৰে প্ৰতি আঘাত কৰিছে—

> *মোৰ খুচী মই বাণ্ডীগিৰি কৰি খাম। ...... দে দে মোৰ পইচা।[১৫]*

এনে ভয়ঙ্কৰ আৰু দৃঢ় সিদ্ধান্ত অকপটে ঘোষণা কৰিবপৰা নাৰায়ণীৰ চৰিত্ৰ অংকন কৰিবলৈ ঔপন্যাসিকাই হৃদয়ত সঞ্চিত পূৰ্ব অভিজ্ঞতাক সম্বল হিচাবে ব্যৱহাৰ কৰিছে। মাধবেন বয়চমৰ সৈতে বিয়া হোৱাৰ পিছত কাশ্মীৰ উপত্যকাৰ চন্দ্ৰভাগা নদীৰ 'বাৰ্ক চাইট'ত থাকোতে লেখিকাই এদিন জংঘলৰ মাজত থকা অখ্যাত শ্বহীদৰ বেদীৰ কাষত অৱস্থান কৰি থকা পীৰ বাবাৰ ওচৰলৈ গৈছিল। যোৱাৰ বাটত বনৰীয়া গছ লতাৰে আবৃত জোপোহাৰ মাজত তেওঁ এক বিস্ময়কৰ ঘটনাৰ সন্মুখীন হৈছিল। এগৰাকী দেহোপজীৱিনীৰ অসংযত উপস্থিতিয়ে হতবাক কৰি তোলাৰ সময়ত তেওঁৰ লগত যোৱা আলধৰা তিৰোতা পদ্মাবায়ে ক'লে—